**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**OMR Sheet No. :** ..............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ______________________

(In words)

**Test Booklet No.**

**D—3608**

**PAPER—II**

**ASSAMESE**

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered in the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ⬤ (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या OMR पत्रक पर अंकित करें और OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ⬤ (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় (50) (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক (2) (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

**তলৰ 1 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।**

**1.** চৰ্যাপদৰ কোনজন লেখক কামৰূপৰ

(A) ভুসুকপাদ (B) লুইপাদ (C) মহীধৰপাদ (D) ডোম্বীপাদ

**2.** অসমীয়া সাহিত্য বুৰঞ্জীৰ প্ৰথম যুগ-বিভাগ কৰোঁতাজন

(A) দেৱানন্দ ভৰালী (B) ডিম্বেশ্বৰ নেওগ

(C) দেবেন্দ্ৰ নাথ বেজবৰুৱা (D) হেমচন্দ্ৰ গোস্বামী

**3.** কবিৰাজ কন্দলি বুলি কোৱা হয়

(A) ৰুদ্ৰ কন্দলি (B) অনন্ত কন্দলি

(C) শ্ৰীধৰ কন্দলি (D) মাধৱ কন্দলি

**4.** শংকৰদেৱে ৰচনা কৰা প্ৰথম অংকীয়া নাটখন

(A) কেলিগোপাল (B) কালিয়দমন (C) পাৰিজাত হৰণ (D) পত্নীপ্ৰসাদ

**5.** হেমসৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজন

(A) ইন্দ্ৰনাৰায়ণ (B) দুৰ্লভনাৰায়ণ (C) ধৰ্মনাৰায়ণ (D) নৰনাৰায়ণ

**6.** অসমীয়া আখৰৰ প্ৰথম নিদৰ্শন পোৱা শিলালিপিখন

(A) গছতল শিলালিপি (B) উমাচল শিলালিপি

(C) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি (D) কানাই বৰশী বোৱা শিলালিপি

**7.** 'ঘুনুচা-কীৰ্তন'ৰ ৰচক

(A) ৰত্নাকৰ কন্দলি (B) শ্ৰীধৰ কন্দলি (C) মাধৱ কন্দলি (D) ৰুদ্ৰ কন্দলি

**8.** 'ব্ৰহ্মবৈৱৰ্ত পুৰাণ'ৰ অনুবাদকজন

(A) কবিচন্দ্ৰ দ্বিজ (B) কবিৰাজ চক্ৰৱৰ্তী

(C) কবিৰত্ন সৰস্বতী (D) কবিৰাজ কন্দলি

**9.** 'শঙ্কৰদেৱ চৰিত' খনৰ ৰচোঁতাজন

(A) ৰামানন্দ দ্বিজ (B) বলোৰাম দ্বিজ

(C) ভূষণ দ্বিজ (D) বৈকুণ্ঠ দ্বিজ

**10.** 'দেওধাই অসম বুৰঞ্জী' কেইখন বুৰঞ্জীৰ সমষ্টি

(A) চাৰিখন (B) তিনিখন (C) পাঁচখন (D) সাতখন

**11.** 'ম'পিন' কোন জনগোষ্ঠীৰ কৃষি উৎসৱ

(A) কাৰ্বি (B) গালং (C) গাৰো (D) ডিমাছা

**12.** টাই বৌদ্ধসকলৰ বসন্তোৎসৱ

(A) হাচাকেকান (B) পয়চাংকেন (C) চৈত পৰৱ (D) শবৰোৎসৱ

**13.** 'ৰজনীগন্ধাৰ চকুলো' পুথিৰ ৰচক

(A) দীননাথ শৰ্মা (B) বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্য্য

(C) চৈয়দ আব্দুল মালিক (D) মহম্মদ পিয়াৰ

**14.** 'অসমীয়া ইংৰাজী অভিধান'ৰ ৰচয়িতা

(A) ডক্টৰ নেথান্ ব্ৰাউন (B) ডক্টৰ মাইল্‌ছ ব্ৰনছন্

(C) নিধিলিবাই ফাৰোৰেল (D) যাদুৰাম ডেকাবৰুৱা

**15.** চিংফৌ ভাষা কোন ভাষাগোষ্ঠীৰ অন্তৰ্গত

(A) তিব্বতবৰ্মী (B) অষ্ট্ৰিক (C) থাই-চীন (D) দ্ৰাবিড়

**16.** 'লোকাপাৰ' শৰীৰৰ কোন অঙ্গত পিন্ধা অলঙ্কাৰ

(A) কাণত (B) ভৰিত (C) ডিঙিত (D) কঁকালত

**17.** লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা পুথিখন

(A) কদম কলি (B) পদুম কলি (C) সপোন কলি (D) পদুম কুঁৱৰী

**18.** 'গুণমালা' পুথিখনৰ ছন্দৰ নাম

(A) ঝুমুৰী ছন্দ (B) লেছাৰি ছন্দ

(C) কুসুমমালা ছন্দ (D) ঝুনা বা একাৱলী ছন্দ

**19.** সাহিত্য অকাডেমী বঁটা পোৱা মহিলাগৰাকীৰ নাম

(A) অণিমা দত্ত (B) প্ৰবীণা শইকীয়া

(C) পূৰবী বৰমুদৈ (D) কৰবী ডেকা হাজৰিকা

**20.** মাধৱদেৱৰ জীৱনভিত্তিক উপন্যাসখন

(A) ধন্য নৰ তনু ভাল (B) জলপদ্ম

(C) বণ্ডুকাবেহাৰ (D) সৰ্বগুণাকৰ

**তলৰ 21 অৰ পৰা 30 অলৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্য কৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ঃ**

**21.** অধিকাংশ পণ্ডিতে অসমীয়া ভাষাৰ মূল মাগধী প্ৰাকৃত, মাগধী অপভ্ৰংশ বুলি ঠাৱৰ কৰিছে, ইয়াৰ পৰা সিদ্ধান্ত কৰিব পাৰি—

(A) মাগধী প্ৰাকৃতৰ বৈশিষ্ট্য অসমীয়া ভাষাত ৰক্ষিত হৈছে।

(B) মাগধী প্ৰাকৃতৰ সময়ৰ লগত অসমীয়া ভাষাৰ সময়ৰ মিল আছে।

(C) মাগধী প্ৰাকৃত নহ'ব ভাৰতৰ প্ৰচলিত ভাষা

(D) অসমীয়া ভাষাৰ লগত মাগধী প্ৰাকৃতৰ পৰা ওলোৱা বাংলা, উড়িয়া ভাষা আদিৰ মিল আছে।

22. 'স্বৰৰ দৈৰ্ঘ অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি নহয়' এই মন্তব্যৰ পৰা সিদ্ধান্ত কৰিব পাৰি—

(A) অসমীয়া ভাষাত দীৰ্ঘ স্বৰধ্বনি উচ্চাৰিত নহয়।

(B) অসমীয়া ভাষাৰ স্বৰৰ উচ্চাৰণৰ লগত সংস্কৃত স্বৰৰ উচ্চাৰণৰ অমিল দেখা যায়।

(C) অসমীয়া ভাষাত উচ্চাৰণত হ্ৰস্ব-দীৰ্ঘ পাৰ্থক্যই অৰ্থৰ পৰিৱৰ্তন সাধন নকৰে।

(D) অসমীয়া ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ দুয়োটা আখৰে ব্যৱহাৰ কৰা হয়।

23. পৰ্বত জীয়াৰী সুন্দৰী গৌৰীৰ
সাঁচত মোৰ মালিতা নাই;
নুশুঙা ফুলটি নুফুলা কলিটিৰ
মালতীত তুলনা পায়।

তলত উল্লেখ কৰা অৰ্থালঙ্কাৰৰ উদাহৰণ ওপৰৰ কবিতা ফাঁকিত পোৱা গৈছে ।

(A) ব্যতিৰেক (B) উপমা (C) ৰূপক (D) উৎপ্ৰেক্ষা

24. গভীৰ নিমজ গুহা গহীন সাজেৰে
বুকুত সাৱটি হাত।।
একেথৰে আছে শুনি নিজম নিতাল
সাৰ সুৰ নাই গাত।।

তলত উল্লেখ কৰা ছন্দ ওপৰৰ কবিতা ফাঁকিত পোৱা গৈছে।

(A) ছবি (B) দুলড়ী (C) পয়াৰ (D) লেছাৰি

25. প্ৰতি শাৰীত আঠোটাকৈ দুই শাৰীত ষোল্লটা আখৰ থকা তলৰ কবিতা ফাঁকিত নিম্নোক্ত ছন্দৰ প্ৰয়োগ হৈছে বুলি ক'ব পাৰি ঃ

গোপীগণে উভয় সংকটে
মন দুখে মিলিল প্ৰকটে।
কৃষ্ণৰ চা হিয়া গোপীগণ
লাজে তাৰো নোলাই বচন।।

(A) কুসুমমালা (B) ঝুনা (C) ঝুমুৰী (D) দুলড়ী

26. 'মিৰি জীয়ৰী' মিচিং জনজাতিৰ ৰীতি-নীতি স্বভাৱ -চৰিত্ৰ আৰু সৰল মিচিং ডেকা গাভৰুৰ প্ৰেমৰ করুণ চিত্ৰধৰ্মী উপন্যাস' এই উক্তিৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে—

(A) 'মিৰি-জীয়ৰী' জীয়াঢলৰ মিচিং ডেকা-গাভৰুৰ প্ৰেমৰ দাপোন।

(B) 'মিৰি-জীয়ৰী' সোৱণশিৰিৰ মিচিং ডেকা-গাভৰুৰ প্ৰেমৰ করুণ প্ৰতিবিম্ব।

(C) 'মিৰি-জীয়ৰী' জীয়াভৰলীৰ মিচিং সমাজৰ এখন করুণ উপন্যাস।

(D) 'মিৰি-জীয়ৰী' লুইতৰ পাৰৰ এখন করুণ চিত্ৰধৰ্মী উপন্যাস।

27. গদাধৰ সিংহৰ ৰাজত্বকাললৈকে দেখদেখকৈ আহোম ৰজা আৰু প্ৰজাঘৰত দ্বৈত ধৰ্মীয় অনুশাসন চলিছিল। এফালে হিন্দু আদৰ্শক প্ৰশ্ৰয় দিছিল আৰু আনপিনে প্ৰাচীন আহোম ৰীতি-নীতিও মানি চলিছিল। এই কথাৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে—

(A) এই কালছোৱাত প্ৰাচীন আহোম ৰীতি-নীতি মানি চলিছিল।

(B) এই কালছোৱাত আহোম ৰজা আৰু প্ৰজাৰ মাজত সমন্বয়ৰ প্ৰচেষ্টা সম্ভৱ হৈছিল।

(C) এই কালছোৱাত হিন্দু ধৰ্মক প্ৰাধান্য দিছিল।

(D) এই কালছোৱাত দ্বৈত ধৰ্মীয় অনুশাসন চলিছিল।

28. 'বধকাব্যসমূহ প্ৰধানতঃ বীৰৰস প্ৰধান; কিন্তু করুণ, হাস্য, বীভৎস ইত্যাদি ৰসৰ অৱতাৰণাও ইয়াত মাজে সময়ে নোহোৱাকৈ নাথাকে।' এই উক্তিৰ পৰা নিঃসন্দেহে ক'ব পাৰি যে—

(A) বধকাব্যত বীৰত্বব্যঞ্জক বৰ্ণনা থাকে।

(B) বধকাব্যত করুণ, হাস্যৰসে প্ৰাধান্য পায়।

(C) বধকাব্যত বীৰৰসে মাজে মাজে ভুমুকি মাৰে।

(D) বধকাব্যত যুদ্ধৰ বিৱৰণ থাকে।

29. এটা বা তাতোধিক ব্যঞ্জনবৰ্ণ দুবাৰতকৈ বেছি উল্লেখ থকা তলৰ কবিতাফাঁকিত নিম্নোক্ত শব্দালংকাৰৰ প্ৰয়োগ ঘটিছে বুলিব পাৰি—

মধুৰিমাময় মধুকণ্ঠে তোৰ
মধুৰ সংগীত ঢালে;
মধুৰে মধুৰে মধুময় কৰি
মাধৱী মাধুৰী খেল।

(A) যমক (B) অনুপ্ৰাস (C) বক্ৰোক্তি (D) চিত্ৰালংকাৰ

**30.** 'বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰ সন্মিলিত উপাদানেৰে ভাৰতীয় সংস্কৃতিৰ বৰ ভেঁটি গঢ় লৈ উঠিছে।' ইয়াৰ পৰা নিঃসন্দেহে ক'ব পাৰি যে—

(A) ভাৰতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি।

(B) ভাৰতীয় সংস্কৃতি আৰ্য সংস্কৃতিৰ প্ৰতিফলন।

(C) ভাৰতীয় সংস্কৃতিত ভাৰত আত্মাৰ বিকাশ ঘটিছে।

(D) ভাৰতীয় সংস্কৃতিত বিভিন্ন সংস্কৃতিৰ প্ৰতিফলন ঘটিছে।

**তলৰ 31 ৰ পৰা 35 লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী/পুথি/লেখক/নৃগোষ্ঠীসমূহৰ যথাক্ৰমে প্ৰকাশন/জন্ম/প্ৰব্ৰজনৰ সময় অনুসৰি একাদিক্ৰমে তালিকাৰদ্ধ কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ঃ**

**31.** (i) যোগিনীতন্ত্ৰ

(ii) কালিকা পুৰাণ

(iii) বিষ্ণুপুৰাণ

(iv) শিৱপুৰাণ

(A) (ii) (iii) (iv) (i)

(B) (iii) (i) (ii) (iv)

(C) (iv) (ii) (i) (iii)

(D) (i) (iv) (iii) (ii)

32. (i) অৰুনোদই

(ii) আৰাহন

(iii) বিজুলী

(iv) আসাম বন্ধু

(A) (ii) (i) (iv) (iii)

(B) (iii) (ii) (i) (iv)

(C) (i) (iv) (iii) (ii)

(D) (iv) (iii) (ii) (i)

33. (i) মোৰ জীৱন দাপোন

(ii) জীৱন বীণৰ সুৰ

(iii) মোৰ জীৱন সোঁৱৰণ

(iv) মোৰ সোঁৱৰণী

(A) (iii) (iv) (ii) (i)

(B) (i) (ii) (iii) (iv)

(C) (ii) (i) (iv) (iii)

(D) (iv) (iii) (i) (ii)

**34.** (i) ভানুমতী

(ii) মনোমতী

(iii) পদুম কুৱঁৰী

(iv) সাধনা

(A) (iv) (iii) (ii) (i)

(B) (iii) (ii) (i) (iv)

(C) (ii) (i) (iv) (iii)

(D) (i) (ii) (iii) (iv)

**35.** (i) ৰঘুনাথ চৌধাৰী

(ii) ৰত্নকান্ত বৰকাকতি

(iii) যতীন্দ্ৰ নাথ দুৱৰা

(iv) দুৰ্গেশ্বৰ শৰ্মা

(A) (iv) (i) (ii) (iii)

(B) (iii) (ii) (i) (iv)

(C) (ii) (iii) (iv) (i)

(D) (i) (iv) (iii) (ii)

**36 অৰ পৰা 45 অলৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নত কৰা।**

**36.** **'ক' স্তম্ভ** | **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| (a) | বৰো | (i) | পঃৰাগ |
| (b) | ৰাভা | (ii) | বৈশাগু |
| (c) | মিচিং | (iii) | চমাংকান |
| (d) | কাৰ্বি | (iv) | ওৱাংগালা |
| | | (v) | বায়খো |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iii) | (i) | (ii) | (v) |
| (B) | (ii) | (v) | (i) | (iii) |
| (C) | (ii) | (i) | (iii) | (iv) |
| (D) | (iv) | (i) | (ii) | (iii) |

**37.** **'ক' স্তম্ভ** | **'খ' স্তম্ভ**

| 'ক' স্তম্ভ | | 'খ' স্তম্ভ | |
|---|---|---|---|
| (a) | উপেন্দ্ৰনাথ গোস্বামী | (i) | অসমীয়া বৰ্ণ প্ৰকাশ |
| (b) | গোলোক চন্দ্ৰ গোস্বামী | (ii) | অসমীয়া ভাষাৰ ব্যাকৰণ |
| (c) | দেবানন্দ ভৰালী | (iii) | অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব |
| (d) | কালিৰাম মেধি | (iv) | অসমীয়া ভাষাৰ মৌলিক বিচাৰ |
| | | (v) | অসমীয়া ব্যাকৰণৰ ৰূপৰেখা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (v) | (i) | (iv) | (iii) |
| (B) | (iv) | (ii) | (i) | (iii) |
| (C) | (ii) | (v) | (i) | (iii) |
| (D) | (ii) | (i) | (iv) | (iii) |

38. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) ৰত্নকান্ত বৰকাকতী | (i) ভাঙনি কোঁৱৰ |
| (b) অম্বিকাগিৰী ৰায়চৌধুৰী | (ii) শেৱালি কৰি |
| (c) আনন্দ চন্দ্ৰ আগৰৱালা | (iii) বিপ্লৱী কবি |
| (d) কমলাকান্ত ভট্টাচাৰ্য্য | (iv) বিহগী কবি |
| | (v) অগ্নি কবি |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (iv) |
| (B) | (ii) | (iii) | (i) | (v) |
| (C) | (iii) | (ii) | (i) | (v) |
| (D) | (iv) | (i) | (v) | (iii) |

39. 'ক' স্তম্ভ — 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| (a) মহেন্দ্ৰ বৰা | (i) বন ফৰিঙৰ ৰং |
| (b) নৱকান্ত বৰুৱা | (ii) সূৰ্য্য হেনো নামি আহে এই নদীয়েদি |
| (c) নিৰ্মল প্ৰভা বৰদলৈ | (iii) ৰূপৰ টিলিঙাৰ মাত |
| (d) নীলমণি ফুকন | (iv) মোৰ আৰু পৃথিৱীৰ |
| | (v) কোনোবা শীতৰ এক বগা সন্ধিয়াত |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iv) | (v) | (ii) | (i) |
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (iii) | (iv) | (i) | (ii) |
| (D) | (i) | (ii) | (v) | (iii) |

**40.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | হোমেন বৰগোহাঞি | (i) | অঘৰী আত্মাৰ কাহিনী |
| (b) | চৈয়দ আব্দুল মালিক | (ii) | অস্তৰাগ |
| (c) | হিতেশ ডেকা | (iii) | নেদেখা জুইৰ ধোঁৱা |
| (d) | যোগেশ দাস | (iv) | মাটি আৰু মানুহ |
| | | (v) | বৈৰী মানুহ |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iii) | (ii) | (i) | (iv) |
| (B) | (ii) | (i) | (v) | (iii) |
| (C) | (iv) | (iii) | (i) | (ii) |
| (D) | (v) | (iv) | (iii) | (i) |

**41.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | সাৰদা বৰদলৈ | (i) | ভোগজৰা |
| (b) | অৰুণ শৰ্মা | (ii) | মগৰীবৰ আজান |
| (c) | ফনী শৰ্মা | (iii) | জেৰেঙাৰ সতী |
| (d) | ফনী তালুকদাৰ | (iv) | উৰুখা পঁজা |
| | | (v) | জুয়ে পোৰা সোণ |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (i) | (v) |
| (B) | (iii) | (ii) | (iv) | (i) |
| (C) | (iv) | (iii) | (v) | (iv) |
| (D) | (i) | (v) | (ii) | (iii) |

**42.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | পদ | (i) | অক্ষৰৰ সংখ্যা দহ, দহ আৰু চৈধ্য |
| (b) | দুলড়ী | (ii) | চৈধ্য আখৰৰ দুটা শাৰী থাকে |
| (c) | ছবি | (iii) | যতি নিয়ন্ত্রিত তিনিটাকৈ পৰ্ব থাকে |
| (d) | লেচাৰী | (iv) | আঠ-ছয় আৰু দহ আখৰীয়া যতি |
| | | (v) | চাৰিটা চৰণ আৰু প্ৰতি চৰণত ছটাকৈ আখৰ থাকে |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (v) | (iv) | (ii) | (iii) |
| (B) | (iii) | (ii) | (i) | (v) |
| (C) | (ii) | (iii) | (iv) | (i) |
| (D) | (iv) | (i) | (iii) | (ii) |

**43.** **‘ক’ স্তম্ভ** / **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | সুধৰ্মাৰ উপাখ্যান | (i) | হেমচন্দ্ৰ বৰুৱা |
| (b) | কানীয়া কীৰ্ত্তন | (ii) | গুনাভিৰাম বৰুৱা |
| (c) | ৰাম-নৱমী | (iii) | পদ্মাৱতী দেৱী ফুকননী |
| (d) | বঙাল-বঙালনী | (iv) | আনন্দৰাম ঢেকিয়াল ফুকন |
| | | (v) | ৰুদ্ৰৰাম বৰুৱা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (v) | (i) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (i) | (iii) | (iv) | (iii) |
| (D) | (iii) | (i) | (ii) | (v) |

**44.**

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | অনিমা দত্ত | (i) | ৰূপোৱালী নদীৰ সোনোৱালী ঘাট |
| (b) | নলিনীবালা দেৱী | (ii) | সুবাসিত যি যন্ত্ৰণা |
| (c) | কৰবী ডেকা হাজৰিকা | (iii) | পৰশ মণি |
| (d) | পুৰবী বৰমুদৈ | (iv) | কাঞ্চন জংঘা |
| | | (v) | স্বৰ্ণলতা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iv) | (iii) | (ii) | (i) |
| (B) | (v) | (iv) | (iii) | (ii) |
| (C) | (iii) | (ii) | (i) | (iv) |
| (D) | (ii) | (i) | (iv) | (v) |

**45.**

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | বাঁহী | (i) | 1889 |
| (b) | ঊষা | (ii) | 1909 |
| (c) | জোনাকী | (iii) | 1936 |
| (d) | জয়ন্তী | (iv) | 1907 |
| | | (v) | 1940 |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | (iii) | (ii) | (iv) | (i) |
| (B) | (ii) | (iv) | (i) | (iii) |
| (C) | (v) | (iii) | (ii) | (iv) |
| (D) | (ii) | (i) | (iii) | (v) |

**তলত লিখা কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া 46 অৰ পৰা 50 অলৈ  প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ A, B, C, আৰু D ৰ মাজৰপৰা বাছি উলিওৱা।**

যি সামাজিক পটভূমিৰ ওপৰত সৃষ্টিধৰ্মী সাহিত্য ৰচিত হয় সেই পটভূমি আৱশ্যকীয় হলেও সাহিত্য কৃতিৰো একো একোটা নিজস্ব মূল্য আছে আৰু এনে আভ্যন্তৰীণ মূল্যৰ বাবেই কিছুমান সাহিত্যকৃতি উৎকৃষ্ট আৰু আন কিছুমান নিকৃষ্ট। এখন কাব্য ৰচিত হোৱাৰ মূলতে কবিৰ ওপৰত থকা সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱ অৱশ্যে স্বীকাৰ্য্য; কিন্তু কাব্য বস্তুটো কৰি মানসৰ এক স্বতন্ত্ৰ সৃষ্টি। এই হিচাপে ই অনন্য। এই কাব্য বস্তুটোৰ স্বতন্ত্ৰ বৈশিষ্ট্য বিচাৰৰ প্ৰচেষ্টাৰ উপৰিও তাৰ মূল্য নিৰূপনৰ চেষ্টা সচৰাচৰ সমালোচকে কৰে।

যুদ্ধোত্তৰ যুগত সৰহভাগে অসমীয়া সমালোচকৰ চকুৰ আগত আছে ব্যাখ্যাত্মক সমালোচনাৰ আদৰ্শ। কাব্যৰ অন্তৰ্নিহিত ভাৱৰ উদ্‌ঘাটন আৰু তাৰ সামগ্ৰিক আবেদনৰ মূল্য বিচৰাৰ প্ৰয়াস সৰহভাগ সমালোচনাৰ মাজতে পোৱা যায়। বাণীকান্ত কাকতিয়ে ‘কেতেকী’ আৰু ‘তুমি’ কাব্যৰ পাতনিত যি আলোচনা তুলি ধৰিছে সি মূলতঃ ৰুচিসন্মত হলেও এই দুয়োখন কাব্যৰে সমাগ্ৰিক আবেদনৰ প্ৰতি সজাগ হৈ থকা আলোচনাৰ বৌদ্ধিক বিশ্লেষণ। কাব্যৰ ৰস বিচাৰৰ সময়ত সংস্কৃত আৰু ইংৰাজী সাহিত্যৰ উদ্ধৃতিৰে আলোচ্য বস্তু আৰু কাব্য সৌন্দৰ্য্য স্পষ্ট কৰি তুলিবলৈ তেওঁ যত্ন কৰিছে। কাকতি সূক্ষ্মদৰ্শী আৰু তেওঁৰ বিশ্লেষণ যুক্তি নিৰ্ভৰ। ডিম্বেশ্বৰ নেওগৰ সমালোচনাত অতীত প্ৰীতিৰ প্ৰভাৱ চকুত পৰে। বৈষ্ণৱ সাহিত্যৰ অধ্যয়নৰ ফলত গঢ়ি উঠা মানদণ্ড চকুৰ আগত থকাৰ কাৰণে তেওঁৰ বিচাৰত সমকালীন কেইজনমান লেখকৰ সাহিত্য-কৃতিয়ে যথাযোগ্য আসন লাভ কৰিব নোৱাৰিলে।

46. সাহিত্য কৃতিৰ প্ৰকৃত বিচাৰ হয়—

(A) সমালোচকৰ মতামতৰ আধাৰত

(B) ৰচনাত প্ৰকাশিত কেৱল সামাজিক প্ৰভাৱৰ আধাৰত

(C) সাহিত্যৰ আভ্যন্তৰীণ মূল্যায়নৰ দ্বাৰা

(D) সাহিত্যত প্ৰকাশিত অৰ্থনৈতিক দিশৰ আলমত

**47.** কাব্যৰ স্বতন্ত্ৰ বৈচিত্ৰ্যৰ মূল্য নিৰ্ণয়ৰ আধাৰ—

(A) কাব্যৰ ব্যাখ্যামূলক সমালোচনা

(B) কাব্যৰ অন্তৰ্নিহিত ভাবৰ আলোচনা

(C) সমালোচকৰ কাব্য আলোচনা

(D) কাব্যৰ ৰুচিসন্মত আলোচনা

**48.** অসমীয়া সমালোচকৰ আদৰ্শ হ'ল—

(A) কাব্যৰ অন্তৰ্নিহিত ভাবৰ উদ্‌ঘাটন

(B) কাব্যৰ ব্যাখ্যামূলক সমালোচনা

(C) কাব্যৰ সামগ্ৰিক আবেদন

(D) কাব্যৰ সৌন্দৰ্য্য স্পষ্ট কৰি তোলা

**49.** কাব্য বস্তুটো কাৰ সৃষ্টি—

(A) সমালোচকৰ সৃষ্টি

(B) কবিতাৰ সৃষ্টি

(C) নেওগৰ সৃষ্টি

(D) কবি মানসৰ সৃষ্টি

**50.** কাব্যৰস বিচাৰৰ অৱলম্বন হ'ল—

(A) উদ্ধৃতিৰে কৰা আলোচনা

(B) অতীত প্ৰীতিৰ প্ৰভাৱ

(C) বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন

(D) কাব্যৰ ব্যাখ্যমূলক আলোচনা

- o O o -

**Space For Rough Work**